NSD NEWS UNIT
AKASHVANI GUWAHATI
0000000000

Date : 25-11-2026
Time : 19-10 Hrs

ASSAMESE EVENING BULLETIN

১। কেন্দ্রীয় মন্ত্রীসভাই আজি নির্মাণ আৰু আন্তঃগাথনি আহিলা উৎপাদন পৰিবেশতন্ত্রক উদগণি যোগোৱাৰ বাবে এঘাৰ হাজাৰ কোটি টকাৰ এখন আঁচনিত অনুমোদন জনাইছে।

২। কেন্দ্রীয় মন্ত্রীসভাই শিলচৰৰ ডলুত দুহেজাৰ ১৪ কোটি টকা ব্যয়সাপেক্ষে গ্ৰীণ ফিল্ড বিমান বন্দৰ নির্মাণত অনুমোদন জনাইছে।

৩। গোৱাত অনুষ্ঠিত ৫৭ সংখ্যক ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ - IFFIৰ অংশ হিচাপে গোৱাৰ বিনোদন ক্ষেত্ৰৰ সৈতে জড়িত লোকসকলে আজি এটা আকৰ্ষণীয় ভাসমান শোভাযাত্ৰাৰ আয়োজন কৰে।

৪। কেন্দ্রীয় ৰে'ল, তথ্য আৰু সম্প্ৰচাৰ মন্ত্রী অশ্বিনী বৈষ্ণৱে দিনযোৱা কার্যসূচীৰে কাইলৈ তামিলনাড়ু ভ্ৰমণ কৰিব। ***আৰু***

৫। ভূপালত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ্ হকী প্ৰতিযোগিতাত আজি ভাৰত লীগ পর্যায়ৰ অন্তিমখন খেলত জাপানৰ বিৰুদ্ধে অৱতীর্ণ হৈছে।

০০০

কেন্দ্রীয় মন্ত্রীসভাই আজি নির্মাণ আৰু আন্তঃগাথনি আহিলা উৎপাদন পৰিবেশতন্ত্রক উদগণি যোগোৱাৰ বাবে এঘাৰ হাজাৰ কোটি টকাৰ এখন আঁচনিত অনুমোদন জনাইছে। নতুন দিল্লীত কেন্দ্রীয় মন্ত্রীসভাৰ এই সিদ্ধান্তৰ বিষয়ে জানিবলৈ দি তথ্য আৰু সম্প্ৰচাৰ মন্ত্রী অশ্বিনী বৈষ্ণৱে কয়, যে এই আঁচনিৰ লক্ষ্য হৈছে নির্মাণ আৰু আন্তঃগাথনি আহিলা আৰু ইয়াৰ উৎপাদনসমূহ ঘৰুৱা উৎপাদনক উৎসাহিত কৰা আৰু দেশত এটা চি আই ই পৰীক্ষণ ব্যৱস্থা স্থাপন কৰা, যাৰ দ্বাৰা আত্মনির্ভৰশীলতা বৃদ্ধি কৰে আৰু আন্তঃৰাষ্ট্ৰীয় নির্মাণ আৰু আন্তঃগাথনি আহিলা উৎপাদন বজাৰত ভাৰতক মুখ্য নেতৃত্ব হিচাপে স্থান দিয়া। তেওঁ লগতে কয় যে গধুৰ উদ্যোগ মন্ত্রালয়ে এই আঁচনি ৰূপায়ণ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। এই আঁচনিখন ৮ বছৰৰ বাবে অর্থাৎ ২০২৬ বর্ষৰ পৰা ২০৩৩-৩৪ বর্ষলৈ কার্যক্ষম হৈ থাকিব।

শ্ৰীবৈষ্ণৱে কয় যে এই আঁচনিখনে যথেষ্ট পৰিমাণে আমদানিকৃত ৭ টা শ্ৰেণীৰ আহিলা সামৰি লৈছে। উল্লেখযোগ্য যে ভাৰতৰ নির্মাণ আৰু আন্তঃগাথনি আহিলা উদ্যোগ পৃথিৱীৰ ভিতৰতে তৃতীয় সর্ববৃহৎ উদ্যোগ।

০০০

কেন্দ্রীয় মন্ত্রীসভাই শিলচৰৰ ডলুত দুহেজাৰ ১৪ কোটি টকা ব্যয়সাপেক্ষে গ্ৰীণ ফিল্ড বিমান বন্দৰ নির্মাণত অনুমোদন জনাইছে। কেন্দ্রীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্রী অশ্বিনী বৈষ্ণৱে আজি এখন সংবাদ মেলত কেন্দ্রীয় মন্ত্রীসভাৰ এই সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে কয় যে প্ৰস্তাৱিত টার্মিনেল ভৱনটো ১২ হাজাৰ ৩৫১ বর্গমিটাৰ এলেকাজুৰি নির্মাণ কৰা হ'ব। বিমান বন্দৰত যাত্রীসকলৰ বাবে আধুনিক সুবিধা, বহনক্ষম সেউজ ভৱন নীতি আৰু মডিউলাৰ সম্প্ৰসাৰণৰ সামর্থ্য থাকিব বুলি তেওঁ উল্লেখ কৰে। কেন্দ্রীয় মন্ত্রীগৰাকীয়ে কয় যে কৌশলগতভাৱে গুৰুত্বপূর্ণ প্ৰকল্প হিচাপে ডলু গ্ৰীণ ফিল্ড বিমান বন্দৰে দক্ষিণ অসম বা বৰাক উপত্যকাৰ লগতে ৰাজ্যখনৰ চুবুৰীয়া এলেকাসমূহৰ বর্ধিত বিমান পৰিবহনৰ চাহিদা পূৰণ কৰিব। তেওঁ কয় যে এই প্ৰকল্পই বর্তমানৰ আন্তঃগাঁথনিৰ গুৰুত্বপূর্ণ বিকাশৰ উপৰি বাণিজ্য আৰু পর্যটন বৃদ্ধিৰ জৰিয়তে আঞ্চলিক অর্থনৈতিক সম্ভাৱনীয়তা সৃষ্টি কৰিব আৰু উত্তৰ পূর্বাঞ্চলক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিকশিত কৰিড'ৰৰ সৈতে সংযুক্ত কৰাৰ বাবে বিশ্বমানৰ দুৱাৰমুখ প্ৰদান কৰিব।

মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই এই অনুমোদনৰ বাবে প্ৰধানমন্ত্রী নৰেন্দ্র মোদী তথা কেন্দ্রীয় মন্ত্রীসভাক কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বার্তাত মুখ্যমন্ত্রীগৰাকীয়ে কয় যে এই বিমান বন্দৰে বৰাক উপত্যকাৰ বিমান যোগাযোগ ব্যৱস্থাত নতুন গতি প্ৰদানৰ লগতে উত্তৰ পূর্বাঞ্চলৰ কৃষিজাত সামগ্রীৰ বাবে নতুন বজাৰ মুকলি কৰিব। এই গ্ৰীণ ফিল্ড বিমান বন্দৰত

দুহেজাৰ ৭০৫ মিটাৰ দীঘল আৰু ৪৫ মিটাৰ বহল ৰাণৰে' নির্মাণ কৰা হ'ব। তদুপৰি বছৰি ১০ লাখ এহেজাৰ যাত্রী পৰিবহনৰ ক্ষমতা থাকিব বুলি মুখ্যমন্ত্রীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে ৰূপসী বিমান বন্দৰৰ পুনৰবিকাশ, গুৱাহাটীত বিশ্বমানৰ নতুন টার্মিনেলৰ পাছত শিলচৰ অসমৰ বিমান পৰিবহন খণ্ডৰ আন এটা বৃহৎ অগ্রগতি হিচাপে বিবেচিত হ'ব।

০০০

গোৱাত অনুষ্ঠিত ৫৭ সংখ্যক ভাৰতৰ আন্তঃৰাষ্ট্রীয় চলচ্চিত্র মহোৎসৱ - IFFIৰ অংশ হিচাপে গোৱাৰ বিনোদন ক্ষেত্রৰ সৈতে জড়িত লোকসকলে আজি এটা আকর্ষণীয় ভাসমান শোভাযাত্রাৰ আয়োজন কৰে। চলচ্চিত্রৰ আনন্দ উদযাপন বিষয়ক এই শোভাযাত্রা কিছু পূর্বে পাঞ্জিমৰ চাণ্টামণিকা জেটিৰ পৰা আৰম্ভ হৈছে। এই শোভাযাত্রাৰ কলা একাডেমীত সামৰণি পৰিব। গোৱাৰ পর্যটন বিভাগৰ উদ্যোগত ছিগম' উৎসৱৰ কুচকাৱাজৰ বিজয়ীসকলে শোভাযাত্রাত অংশ ল'ব। IFFIৰ অন্যতম উদ্যোক্তা গোৱাৰ পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্যৰ প্রসাৰৰ বাবে এই কার্যসূচীৰ আয়োজন কৰা হৈছে।

ইপিনে, মহোৎসৱৰ প্রশিক্ষণ কার্য্যসূচীৰ অংশ হিচাপে আজি ৱর্ল্ড এক্রছ্ ব'র্ডার্ছ শীর্ষক ছাব টাইটলৰ এটা মাষ্টাৰ ক্লাছ্ অনুষ্ঠিত হয়। এই অনুষ্ঠানত বাহুবলী, ওস্তাদ হোটেল আৰু আমৰণৰ দৰে প্রসিদ্ধ চিনেমাৰ ছাব টাইটল কৰা ৰেখ্ছে অংশগ্রহণ কৰে। মহোৎসৱৰ আন্তঃৰাষ্ট্রীয় চিনেমাৰ শিতানত আজি ৰোমানিয়ান চলচ্চিত্র নির্মাতা আলিনা চার্বানৰ আই মেটাৰ শীর্ষক চিনেমাখনৰ এছিয়া মহাদেশীয় প্রিমিয়াৰ কৰা হয়। একেদৰে, বিশ্ব পৰিক্রমা শিতানত জর্জিয়াৰ আলেকজেণ্ডাৰ এনিচিমোভৰ টেগো শীর্ষক চিনেমাখনৰ বিশ্ব প্রিমিয়াৰ কৰা হয়।

০০০

জনপ্রিয় কণ্ঠশিল্পী কে এছ্ চিত্রাই আজি কয় যে লতা মংগেশকাৰ, আশা ভোশলে আৰু এছ্ জানকীৰ দৰে প্রসিদ্ধ কণ্ঠশিল্পীসকলে ভাৰতৰ সংগীত শিল্পীসকলক প্রজন্মৰ পাছত প্রজন্ম ধৰি অনুপ্রাণিত কৰি আহিছে। গোৱাত অনুষ্ঠিত ৫৭ সংখ্যক আন্তঃৰাষ্ট্রীয় চলচ্চিত্র মহোৎসৱত লতা মংগেশকাৰৰ সন্দর্ভত অনুষ্ঠিত দ্যা ভইছ্ দেট ইকোজ ফৰএভাৰ - ইন দ্যা মেমৰি অৰ আশা ভোশলে এণ্ড এছ্ জানকী শীর্ষক এটি বিশেষ অনুষ্ঠানত কণ্ঠশিল্পীগৰাকীয়ে এনেদৰে কয়। কণ্ঠশিল্পীগৰাকীয়ে লগতে এই প্রসিদ্ধ শিল্পীসকলৰ সৈতে সাংগীতিক যাত্রাত থকা তেওঁৰ স্মৃতি ৰোমন্থন কৰে। আশা ভোশলেৰ বিষয়ে উল্লেখ কৰি কে এছ্ চিত্রাই কয় যে কণ্ঠশিল্পীগৰাকীয়ে নিজৰ সাংগীতিক যাত্রাত বিভিন্ন ধৰণৰ গীত পৰিবেশনৰে শ্রোতাক মোহাচ্ছন্ন কৰি ৰাখিছিল। তেওঁ লগতে এছ্ জানকীৰ কথা উল্লেখ কৰি শিল্পীগৰাকীৰ নিজৰ মাতৃতূল্য বুলি অভিহিত কৰে।

০০০

কেন্দ্রীয় ৰে'ল, তথ্য আৰু সম্প্রচাৰ মন্ত্রী অশ্বিনী বৈষ্ণৱে দিনযোৰা কার্যসূচীৰে কাইলৈ তামিলনাড়ু ভ্রমণ কৰিব। উল্লেখযোগ্য যে তেওঁৰ এই ভ্রমণৰ সময়ছোৱাত চেন্নাইৰ ওচৰৰ গুমিদিপুন্দিত অৱস্থিত আৰ কে টি আৰ এ নির্মাণ কৰি উলিওৱা চকাৰ কাৰখানা এটা ভ্রমণ কৰিব। তেওঁ লগতে তিৰুভলুৰ জিলাৰ পন্নেৰিত অৱস্থিত এটা টানেল বৰিং মেচিনো চাবলৈ যাব। উল্লেখযোগ্য যে আৰ কে টি আৰে আত্মনির্ভৰ ভাৰত আঁচনিৰ অন্তর্গত ভাৰতীয় ৰে'লৰ সৈতে নির্মাণ আৰু যোগান ব্যৱস্থাৰ সৈতে জড়িত এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। অহা ২০ বছৰৰ ভিতৰত ১৫ লাখ ৪০ হাজাৰ চকা যোগানৰ লক্ষ্য নির্ধাৰণ কৰা হৈছে। এই ফেক্টৰীয়ে ভাৰতীয় নৌসেনা বাহিনীত প্রয়োজন হোৱা বিভিন্ন সামগ্রীও নির্মাণ কৰি আহিছে। ইয়াৰ উপৰিও মন্ত্রীগৰাকীয়ে পন্নেৰিত টানেল বৰিং মেচিনৰ কাম-কাজ পৰিদর্শন কৰিব। উল্লেখযোগ্য যে টানেল বৰিং মেচিনে চেন্নাইৰ মেট্রে' ট্রেইনৰ প্রথম আৰু দ্বিতীয় ফেজৰ পথ আৰু ৰে'ল সুৰংগ প্রকল্পৰ বিভিন্ন সামগ্রী নির্মাণ কৰি আহিছে। ইয়াৰ লগতে উৎপাদন বৃদ্ধিৰ বাবে এই প্রকল্প উত্তৰ চেন্নাইৰ কান্নিগাইপেইৰৰ ১২ দশমিক ৪ একৰ ভূমিৰ পৰিসৰলৈকে বঢ়াই নিয়া হৈছে।

০০০

উচ্চতম ন্যায়ালয়ে আজি কেন্দ্রীয় চৰকাৰ আৰু দিল্লীৰ চৰকাৰক যোৱা ১০ অক্টোবৰ তাৰিখে নতুন দিল্লীত অনুষ্ঠিত মুখ্য নির্বাচন আয়ুক্তৰ বিৰুদ্ধে হোৱা সমদলত অংশগ্রহণ কৰা ৰাজনৈতিক নেতাসকলৰ বিৰুদ্ধে উচিত তদন্ত লবলৈ নির্দেশ দিছে। মুখ্য ন্যায়াধীশ সূর্যকান্ত আৰু ন্যায়াধীশ জয়মাল্য বাকচি আৰু ভি মোহনাৰ এখন বিচাৰপীঠে এই বিষয়টোৰ উচিত তদন্ত কৰি ১০ দিনৰ ভিতৰত সবিশেষ দাখিল কৰিবলৈ চৰকাৰলৈ নির্দেশ দিছে।

০০০

মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ে কাইলৈ পাটনাত ৰাষ্ট্ৰীয় দুগ্ধ দিৱস ২০২৬ পালন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং তথা ৰাজ্য মন্ত্ৰী প্ৰফেচাৰ এছ পি সিং ৰাঘেল, বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰী আৰু বিহাৰৰ দুগ্ধ, মীন আৰু পশুপালন মন্ত্ৰী নন্দ কিশোৰ ৰাম উপস্থিত থাকিব। এই অনুষ্ঠানে দুগ্ধ উৎপাদক আৰু অংশীদাৰসকলক এখন গুৰুত্বপূৰ্ণ মঞ্চ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে থলুৱাজাতৰ গৰু আৰু ম'হৰ সংৰক্ষণ, দুগ্ধ উন্নয়ন আৰু পশুধনৰ উৎপাদনশীলতাৰ ক্ষেত্ৰত থকা অৱদানৰ স্বীকৃতি দি তিনিটা শাখাত ৰাষ্ট্ৰীয় গোপাল ৰত্ন বঁটা ২০২৬ প্ৰদান কৰিব। উত্তৰ-পূৰ্বাঞ্চল আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বিজয়ীসকলকো প্ৰতিটো শাখাতে বিশেষ বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানতেই কেইবাটাও দুগ্ধ আন্তঃগাঁথনি প্ৰকল্প দেশৰ বাবে উৎসৰ্গা কৰা হ'ব। ইয়াৰ ভিতৰত দুগ্ধ সংগ্ৰহ আৰু তথ্য প্ৰক্ৰিয়াকৰণ একক, খনিজ মিশ্ৰণ প্ৰকল্প, প্ৰতি দিনে ২ লাখ লিটাৰ গাখীৰ প্ৰসংস্কৰণ কৰিব পৰা ক্ষমতা থকা প্ৰকল্পও থাকিব। উল্লেখযোগ্য যে, দেশৰ শ্বেত বিপ্লৱৰ জনক ড০ ভাৰ্গিজ কুৰিয়েনৰ জয়ন্তী উপলক্ষে, ভাৰতক বিশ্বৰ সৰ্ববৃহৎ দুগ্ধ উৎপাদনকাৰী দেশলৈ পৰিগণিত কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদানক স্বীকৃতি দিবলৈ ৰাষ্ট্ৰীয় দুগ্ধ দিৱস পালন কৰা হয়।

০০০

ভূপালত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ্ হকী প্ৰতিযোগিতাত আজি ভাৰত লীগ পৰ্যায়ৰ অন্তিমখন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ভাৰতে ইতিমধ্যে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। ভাৰতে যোৱা নিশা লীগ পৰ্যায়ৰ এখন খেলত চীনক ৬-২ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ দীপিকাই হেট্ৰিক কৰাৰ বিপৰীতে লালৰেমছিয়ামী, নেহা আৰু সাক্ষী ৰাণাই এটাকৈ গ'ল দিয়ে। চীনৰ হৈ হং য়ুংগুন আৰু চেন টঙে এটাকৈ গ'ল দিয়ে। উল্লেখযোগ্য যে প্ৰতিযোগিতাখনত এয়া হৈছে ভাৰতৰ একেৰাহে চতুৰ্থ বিজয়। ইয়াৰ পূৰ্বে ভাৰতে মালয়েছিয়াক ৪-১, দক্ষিণ কোৰিয়াক ২-১ আৰু থাইলেণ্ডক ৭-০ গ'লত পৰাস্ত কৰিছিল। কালিৰ আন দুখন খেলত জাপানে মালয়েছিয়াক ৩-১ আৰু দক্ষিণ কোৰিয়াই থাইলেণ্ডক ১-০ গ'লত পৰাস্ত কৰে।

ভাৰত আৰু জাপান বৰ্তমান ১২ পইণ্টেৰে তালিকাৰ শীৰ্ষত আছে।

০০০

সমাপ্ত